অধ্যায় ৯ ঃ টেলিভিছ্ন সংবাদিকতা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ টেলিভিছ্ন সংবাদিকতাৰ নীতি
৯.৪ টেলিভিছ্ন সাংবাদিকতাৰ সুবিধাসমূহ
৯.৫ টেলিভিছ্ন সাংবাদিকতাৰ সুবিধাসমূহ
৯.৬ টেলিভিছ্ন সাংবাদিকতাৰ অসুবিধাসমূহ
৯.৭ টেলিভিছ্ন সাংবাদিকতাৰ প্ৰক্ৰিয়া
৯.৮ পোনপটীয়া সংবাদ সম্প্ৰচাৰ
৯.৯ টেলিভিছ্ন সংবাদ লিখাৰ নিয়ম
৯.১০ টেলিভিছ্ন সংবাদ প্ৰস্তুত কৰাৰ নিয়ম
৯.১১ সংবাদ উৎস
৯.১২ পিচ টু কেমেৰা
৯.১৩ টেলিভিছ্ন সংবাদ পৰিৱেশন
৯.১৪ টেলিভিছ্ন সাংবাদিকতাৰ বহুল ব্যৱহৃত শব্দ
৯.১৫ টেলিভিছ্ন সাংবাদিকতাৰ উল্লেখযোগ্য সাফল্য
৯.১৬ অধিক জানিবলৈ

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- টেলিভিছ্ন সাংবাদিকতাৰ সূক্ষ্ম বৈশিষ্ট্যবোৰ আৰু দৰ্শনসাধ্য মাধ্যমৰ বাবে লিখাৰ কৌশল জানিব পাৰিব
- পৰিৱেশন, সংবাদ প্ৰতিবেদন প্ৰস্তুত, সাক্ষাৎ গ্ৰহণ, ৰিপ'টাজ প্ৰস্তুত, পোনপটীয়া অনুষ্ঠান আৰু অনুষ্ঠানৰ আঁত ধৰাৰ পদ্ধতিবোৰ বিশ্লেষণ কৰিব পাৰিব
- অনুষ্ঠান প্ৰযোজনা আৰু এটা ছেনেলৰ পেকেজিং পদ্ধতি বহলাই আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

এই পাঠ্যবিষয়টোৰ আগৰ খণ্ডটোত আমি টেলিভিছ্নৰ উদ্ভাৱন আৰু বিকাশ সম্পৰ্কে আলোচনা কৰিছো। খণ্ডটোত আলোচনা কৰা আন এটা গুৰুত্বপূৰ্ণ বিষয় আছিল সমাজত দৃশ্য-শ্ৰব্য মাধ্যমৰ গুৰুত্ব। দ্বিতীয় খণ্ডৰ এই প্ৰথম অধ্যায়টিত এইবাৰ আমি টেলিভিছ্ন সাংবাদিকতাৰ

জগতখন আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন দিশ আলোচনা কৰিম।টেলিভিছন সাংবাদিকতা মানে কেৱল টেলিবিছনৰ বাবে সংবাদ প্ৰতিবেদন প্ৰস্তুত কৰা নহয়। এই কামটোত গৱেষণা, ঘটনা এটা লিখাৰ কলা, তথ্য সংগ্ৰহ, সংবাদ সূত্ৰৰ পম খেদা আদিৰ দৰে বিভিন্ন কথা জড়িত হৈ থাকে। টেলিভিছন সাংবাদিকতাৰ বাবেই টেলিভিছন মাধ্যমটোত বহুতো গুৰুত্বপূৰ্ণ সংবাদ অনুষ্ঠানে জনপ্ৰিয়তা অৰ্জন কৰিছে. এই অনুষ্ঠানবোৰ বিশ্ব সংবাদ, ৰাজনীতি, ক্ৰীড়া অথবা কোনো জনপ্ৰিয় ব্যক্তিত্ব বিষয়ক হ'ব পাৰে। যিসকল সাংবাদিকে এই অনুষ্ঠানবোৰ জীৱন্ত কৰি তোলাৰ প্ৰয়াস কৰে তেওঁলোকে হাতত লোৱা বিষয়টো সম্পৰ্কে গৱেষণা কৰে, এটা লিখিত ঘটনা প্ৰস্তুত কৰে, প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰে, সংবাদ সূত্ৰৰ পম খেদে আৰু অৱশেষত টেলিভিছনৰ দৰ্শকৰ বাবে আকৰ্ষণীয় ৰূপত তথ্যবোৰ পৰিৱেশন কৰে। টেলিভিছন সাংবাদিকতা আৰু ছপা মাধ্যম সাংবাদিকতাৰ মাজত বৰ বিশেষ পাৰ্থক্য নাই। টেলিভিছন সাংবাদিকসকলে কেৱল এখন ভিন্ন মঞ্চৰ যোগেদি নিজৰ কাহিনী / ঘটনা পৰিৱেশন কৰে।

টেলিভিছন সাংবাদিকতাৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰিবলৈ ইচ্ছুকসকলৰ বাবে বিভিন্ন বিকল্প আছে। খেল-ধেমালি ভাল পোৱা ভৱিষ্যৎ সাংবাদিক এগৰাকীয়ে ক্ৰীড়া সাংবাদিকতাৰ ক্ষেত্ৰখন বাছি ল'ব পাৰে। অৱশ্যে বহু সময়ত প্ৰাক্তন খেলু�ৰৈসকলক এই কামটো দিয়া হয়। তথাপিও, ক্ৰীড়া সাংবাদিকতাৰ জগতখনত এনে বহুতো সফল সাংবাদিক আছে যিসকলে কোনো দিনে খেলপথাৰত নমা নাই কিন্তু খেল এটা ভাল পায়। একেদৰে, জনপ্ৰিয় ব্যক্তিত্ব আৰু বোলছবি জগতৰ চৌখিনতা ভাল পোৱাসকলে চেলেব্ৰিটি টেলিভিছন সাংবাদিকতাৰ ক্ষেত্ৰখনত ভৰি দিয়াৰ সিদ্ধান্ত ল'ব পাৰে।

আপোনালোক সকলোৱে পাৰ হৈ যোৱা বছৰবোৰত দূৰদৰ্শন (ভাৰতীয় চৰকাৰী টেলিভিছন সেৱা) এ কেনেদৰে বিকাশৰ পথেৰে অগ্ৰসৰ হৈছে সেই বিষয়ে জানে। আপোনালোক চেটেলাইট ছেনেল' বোলা অভিধাটোৰ সৈতেও পৰিচিত। সাধাৰণতে 'চেটেলাইট' অথবা কৃত্ৰিম উপগ্ৰহবোৰ সংযোগ স্থাপন নাইবা গৱেষণাৰ উদ্দেশ্যত ব্যৱহাৰ কৰা হয়। মানৱ নিৰ্মিত চেটেলাইটবোৰ পৃথিৱী অথবা মহাকাশৰ অন্য গ্ৰহ-নক্ষত্ৰৰ কক্ষপথত ঘূৰিব পৰাকৈ উৎক্ষেপন কৰা হয়। চেটেলাইটে কেনেদৰে আপোনাৰ প্ৰিয় ছেনেলবোৰ আপোনাৰ ঘৰত থকা টেলিভিছনৰ পৰ্দাত দৃশ্যমান কৰি তোলে সেয়া আপুনি জনা আৱশ্যক। এটা চেটেলাইট আৰু কেবল্ নেটৱৰ্কৰ ধৰা পৰা এখন ধাৰাবাহিকৰ মাজত কি সম্পৰ্ক আছে? কাৰণ, উপৰুৱাভাৱে দুয়োটাৰে মাজতকোনো সম্পৰ্ক নাই। আপোনাৰ ঘৰত থকা টেলিভিছন চেটটোৰ পৰ্দাত এখন ধাৰাবাহিক দৃশ্যমান কৰি তোলাৰ কামটোত সংযোগ চেটেলাইটে প্ৰধান ভূমিকা পালন কৰে। আপোনাৰ ঘৰত কেতিয়াবা এণ্টেনা থকা টেলিভিছন চেট আছিলনে? তেনে এণ্টেনাবোৰ সংকেত গ্ৰহণ কৰিব পৰা স্থানত সম্পূৰ্ণ নিৰ্ভুল কোণত থিয় কৰাই থ'ব লাগিছিল। ধাৰাষাৰ বৰষুণ অথবা বেয়া বতৰত টেলিভিছনৰ অনুষ্ঠান সম্প্ৰচাৰত ব্যাঘ্যত জন্মিছিল। সংযোগ চেটেলাইটৰ উদ্ভাৱন তথা সক্ৰিয়কৰণে এই অৱস্থাৰ খতি পেলাইছিল। আপুনি আপোনাৰ টিভি চেটটোত কিমানটা ছেনেলৰ সেৱা উপভোগ কৰিব পাৰে? আজি আমি সহজে চাব পৰা দুটামান চেটেলাইট টেলিভিছন ছেনেল বোৰৰ ভিতৰত

প্রধান হ'ল ষ্টাৰ টিভি, আজ তক, এনডিটিভি আৰু জীটিবি। আপোনাৰ পিতৃ - মাতৃৰ দিনত এনেদৰে অসংখ্য ছেনেলৰ মাজৰ পৰা নিজ পছন্দৰ ছেনেল বাছি ল'ব পৰা সুযোগ নাছিল। ইয়াৰ কাৰণ হ'ল ভাৰততে মাত্ৰ কেইবছৰমান আগৰ পৰাহে ব্যক্তিগত চেটেলাইট ছেনেলৰ সেৱা আৰম্ভ হৈছে। পূৰ্বতে ভাৰতীয় টেলিভিছন দৰ্শকৰ বাবে অনুষ্ঠান সম্প্ৰচাৰ কৰা একমাত্ৰ টেলিভিছন ছেনেলটো আছিল দূৰদৰ্শন। ১৯৯০ ৰ দশকৰ পৰা ব্যক্তিগত ছেনেলবোৰৰ সেৱা আৰম্ভ হোৱাৰ পাছতহে দূৰদৰ্শনৰ একাধিপত্যৰ ওৰ পৰিছিল। আমেৰিকাৰ কেবল্ নিউজ নেটৱ'ৰ্ক (CNN) নামৰ সংবাদ ছেনেলটোৱে সম্প্ৰচাৰ কৰা উপসাগৰীয় যুদ্ধৰ সংবাদ সম্প্ৰচাৰেৰে ভাৰতত চেটেলাইট টেলিভিছন সেৱাৰ সূচনা হৈছিল। (CNN)ৰ সংকেত ধৰা পেলাবলৈ চেটেলাইট ডিশ্য ব্যৱহাৰ কৰা হৈছিল। কেবল্ অপাৰেটৰসকলে অনতিপলমে চেটেলাইট সম্প্ৰচাৰৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰিছিল।

৯.৩ টেলিভিছন সাংবাদিকতাৰ নীতি

প্ৰতিটো সংবাদ প্ৰতিষ্ঠানেই ইয়াৰ ভাৰসাযোগ্যতা আৰু প্ৰতিষ্ঠাকনিৰ্ভৰ কৰি আগবাঢ়ি গৈ থাকে। সেয়েহে সাংবাদিকসকলে নিজৰ কাম পক্ষপাতহীন ন্যায়সংগত কৰি ৰখাৰ লগতে সংবাদ পৰিৱেশনৰ সময়ত একোটা সমতাপূৰ্ণ দৃষ্টিভংগী আগবঢ়াব লাগিব। এইবোৰৰ উপৰি সাধাৰণ দৰ্শকৰ বাবে পৰিৱেশন কৰা প্ৰতিটো ঘটনাতে সত্যতা থকাটোও অতি আৱশ্যক। এই নীতিবোৰ পালন কৰিব পাৰিলে সাধাৰণ দৰ্শকৰ মনত আস্থাৰ ভাৱ উপজিব। এইবোৰকাৰণতে কিছুসংখ্যক টেলিভিছন সাংবাদিকক দৰ্শকে আনবোৰতকৈ অধিক ভাল পায় আৰু বিশ্বাস কৰে। বৰ্তমান সময়ত টেলিভিছন সাংবাদিকসকল গুৰুত্বপূৰ্ণ। কাৰণ, এক বৃহৎ সংখ্যক জনসাধাৰণে টেলিবিছনৰ যোগেদিয়েই সংবাদ আৰু তথ্য গ্ৰহণ কৰে।

৯.৪ টেলিভিছন সাংবাদিকৰ প্ৰত্যাহ্বানসমূহ

বহুসময়ত, টেলিভিছন সাংবাদিকতা এক জটিল কাম হ'ব পাৰে। কোনো এটা সংবাদ তথ্য দৰ্শকক পোনপ্ৰথমে অৱগত কৰোৱাৰ একধৰণৰ প্ৰতিযোগিতা চলে। সকলো সংবাদৰ লগত যিমানপাৰি সিমান তথ্য সংযোজিত কৰিব লাগি। লগতে, এনে কিছুমান কথা তথ্য থাকে যিবোৰে প্ৰকাশ হোৱাৰ পাছত ভালতকৈক্ষতি কৰাৰহে সম্ভাৱনা থাকে। নাবালক সকলক লৈ সৃষ্টি হোৱা সংবাদৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে প্ৰযোজ্য। এনে সংবাদৰ ক্ষেত্ৰত সাংবাদিকে নাবালকৰ নাম-ঠিকনা আদিৰ দৰে ব্যক্তিগত তথ্য সদৰি কৰাৰ পৰা বিৰত থাকিব লাগে যাতে নাবালকটিৰ বাবে আন কোনো ধৰণৰ অস্বস্তিকৰ পৰিৱেশৰ সৃষ্টি নহয়। আকৌ, কেতিয়াবা টেলিভিছন সাংবাদিকসকলে কোনো অনুসন্ধানত ব্যাঘাত নজন্মাবলৈ বস্তুিত তথ্য সদৰি কৰিব নালাগে। টেলিভিছন সাংবাদিকতা উত্তেজনাপূৰ্ণ আৰু আনন্দদায়ক হ'ব পাৰে। কিন্তু সাংবাদিকসকলে প্ৰতিটো সংবাদতে যথাৰ্থতা উপযুক্ত পৰিমাণে ব্যৱহাৰ কৰিব লাগে, সদৰি কৰিবলগীয়া আৰু নকৰিবলগীয়া

তথ্য সাৱধানে বাছনি কৰিব লাগে আৰু সম্ভাব্য কুপৰিণাম নিয়ন্ত্ৰণ কৰিব লাগে।

৯.৫ টেলিভিছন সাংবাদিকতাৰ সুবিধাসমূহ

ছপা অথবা ৰেডিঅ' সাংবাদিকতাৰ তুলনাত টেলিভিছন সাংবাদিকতাৰ সবাতোকৈ ডাঙৰ সুবিধাটো হ'ল ইয়াৰ দৃশ্য শ্ৰব্য বৈশিষ্ট্যটো। এই বৈশিষ্ট্যটো আন কোনো সাংবাদিকতা মাধ্যমত নাই। ইয়াৰ পৰাই অন্য সাংবাদিকতাৰ সৈতে টেলিভিছন সাংবাদিকতাৰ মৌলিক প্ৰভেদবোৰ নিৰূপন কৰা হয়। টেলিভিছন সাংবাদিকতাৰ প্ৰধান সুবিধাবোৰ তলত দিয়া ধৰণৰঃ-

- টেলিভিছন সাংবাদিকতাই ঘটনাৰ দৃশ্যমান প্ৰমাণ উপস্থিাপন কৰে। কোনো এক সংবাদ কাহিনীৰ ভাৱসাযোগ্যতা প্ৰতিষ্ঠা কৰাত প্ৰমাণে সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা লয়। কোনো এটা ঘটনা ৰেক'ৰ্ড কৰা হৈছে আৰু ঘটনাটো চাব পৰা অৱস্থাত আছে— ইয়াতকৈ ঘটনা এটা ঘটাৰ শক্তিশালী প্ৰমাণ আন একোৱেই নাই।
- টেলিভিছন হ'ল বিশ্বৰ তথ্য জনাৰ এখন খিৰিকী। 'টেলিভিছন'ৰ ব্যুৎপত্তিগত অর্থ হ'ল 'আঁতৰৰ পৰা চোৱা' (tele + vision) ভাৰতীয় চৰকাৰী টেলিভিছন সেৱাৰ নামটো সেয়েহে ইয়াৰ আক্ষৰিক হিন্দী অনুবাদ 'দূৰদৰ্শন' ৰখা হৈছে। অর্থাৎ, ই বিশ্বৰ যিকোনো ঠাইত ঘটা ঘটনাৰ চাক্ষুস আৰু শ্ৰব্য অভিজ্ঞতা লাভৰ সুযোগ আপোনাৰ বহা কোঠালৈকে লৈ আহে।
- টেলিভিছন সাংবাদিকসকলে ছপা অথবা ৰেডিঅ' মাধ্যমৰ সাংবাদিকতকৈ অধিক সংখ্যক লোকৰ কাষ চাপিব পাৰে। এইটো কাৰণতে টেলিভিছন সংবাদৰ সামাজিক প্ৰসাৰ যথেষ্ট ব্যাপক। ই বিভিন্ন বিষয়ত বিস্তৃত ৰাজহুৱা আলাপ-আলোচনাৰ পথ প্ৰশস্ত কৰিব পাৰে।
- টেলিভিছন গতিশীল ছবি আৰু ধ্বনি ধৰা পৰে। সেয়েহে দৰ্শকৰ অৱচেতন মনত ই ছপা মাধ্যমতকৈ অধিক গভীৰ আৱেগিক অনুভূতিৰসৃষ্টি কৰিব পাৰে। সেয়েহে টেলিবিছন সম্প্ৰচাৰে কেৱল তথ্যই অৱগত নকৰে, ই দৰ্শকক প্ৰভাৱিতও কৰে। টেলিভিছনক সেয়েহে তথ্য যোগানকাৰী মাধ্যমৰ লগতে প্ৰভাৱশালী মাধ্যমো বোলা হয়।
- ঘটনাবোৰ সংবাদৰূপে পৰিৱেশন কৰাৰ গতিৰ দিশেৰে টেলিভিছন এটা অতি ফলপ্ৰসূ মাধ্যম। একআদৰ্শ পৰিস্থিতিত টেলিভিছনে এটা ঘটনা হুবহু ৰূপত দৰ্শকক দেখুৱাব পাৰে।

৯.৬ টেলিভিছন সাংবাদিকতাৰ অসুবিধাসমূহ

প্ৰতিটো মাধ্যমৰে কিছুমান সীমাৱদ্ধতা থাকে। টেলিভিছনো ইয়াৰ ব্যতিক্ৰম নহয়। টেলিভিছন সাংবাদিকতাৰ প্ৰধান অসুবিধাসমূহ তলত দিয়া ধৰণৰ—

- ছপা মাধ্যম সাংবাদিকতাত থকাৰ দৰে টেলিভিছন সাংবাদিকতাত বৌদ্ধিক গভীৰতা নাথাকে। টেলিভিছন সংবাদ প্ৰস্তুতিৰ আঁৰত থকা অভিপ্ৰায় হ'ল শিক্ষিত, অর্ধ-শিক্ষিত

আৰু নিৰক্ষৰ সকলো শ্ৰেণীৰ লোকৰ বাবে আকৰ্ষণীয় তথা বোধগম্য হোৱাকৈ সংবাদ এটা উপস্থাপন কৰা। এই মাধ্যমত সংবাদবোৰক সৰল ৰূপ দিয়া হয়। ফলত দুটা ঘটনাৰ মাজত থকা সূক্ষ্মতা আৰু গভীৰ সংযোগৰ দিশ দুটা দৰ্শকৰ চকুত ধৰা নপৰে। টেলিভিছন সংবাদ ছেনেলবোৰে এই সীমাৱদ্ধতা আঁতৰাবলৈ ষ্টুডিঅ'ভিত্তিক সাক্ষাৎকাৰ আৰু পেনেল আলোচনাৰ দৰে অনুষ্ঠানৰ আয়োজন কৰে। কিন্তু এনে অনুষ্ঠানবোৰে ছপা মাধ্যমত বিশেষজ্ঞ সকলে লিখা গভীৰ বিশ্লেষণ তথাএনে বিশ্লেষণৰ দীৰ্ঘম্যাদিত্বৰ সৈতে ফেৰ মাৰিব নোৱাৰে।

- টেলিভিছন সাংবাদিকতাই চৌৱিশ ঘণ্টীয়া টেলিভিছন সংবাদ ছেনেললৈ সেৱা আগবঢ়ায়। এনে সাংবাদিকতাত সংবাদ প্ৰতিবেদন আৰু সংবাদৰ শেহতীয়া ৰূপ নিয়মীয়াকৈ পৰিৱেশন কৰিব লাগে। সংবাদৰ সংখ্যা অধিক হৈ থকাৰ সময়ত ই এক সুবিধা হ'ব পাৰে যদিও সংবাদৰ সংখ্যা কমি যোৱাৰ দিনত ই একডাঙৰ অসুবিধাৰ সৃষ্টি কৰে। চৌৱিশ ঘণ্টাই সংবাদ সম্প্ৰচাৰ কৰি থকা ছেনেল এটাৰ সময়বোৰৰ পূৰ্ণ প্ৰয়োগ ঘটাব পৰাকৈ সংবাদৰ নাটনি হ'লে আহুকালৰ সৃষ্টি হয়। তেতিয়াই টেলিভিছন সংবাদ ছেনেলবোৰে সৰু-সুৰা ঘটনাকে অতিৰঞ্জিত ৰূপত সম্প্ৰচাৰ কৰে, সংবাদ হিচাপে পৰিৱেশন নকৰিলেও চলা ঘটনা এটাক সংবাদ হিচাপে উপস্থাপন কৰে।চৌৱিশ ঘণ্টীয়া সংবাদ চক্ৰটোৰ সময় পূৰাবলৈকে এনে কাম কৰা হয়।
- টেলিভিছন দৃশ্যমান প্ৰমাণ আগবঢ়ায়। কিন্তু ই কোনো ঘটনাৰ চূড়ান্ত ব্যাখ্যা আগবঢ়াব পৰা পৰ্যাপ্ত পৃষ্ঠভূমি উপস্থাপন কৰিব নোৱাৰে। 'টেহেলকা ডট কম' নামৰ ছেনেলটোৱে চলোৱা ষ্টিংঅপাৰেশ্যন (গোপন অভিযান)বোৰৰ উদাহৰণলৈকে মন কৰক। ভাৰতৰ এটা আগশাৰীৰ সংবাদ ছেনেলে এই সংবাদবোৰ সম্প্ৰচাৰ কৰিছিল। এনে এটা সংবাদত নগদ ধন গ্ৰহণ কৰি থকা অৱস্থাত এজন জ্যেষ্ঠ ৰাজনীতিকক দেখুওৱা হৈছিল। ৰাজনীতিকজনে যে নগদ ধন লৈছিল তাৰ স্পষ্ট প্ৰমাণ পোৱা গ'ল ঠিকেই । কিন্তু এই ধনৰ লেনদেনবৈধ আছিলনে ই এক উপঢৌকন গ্ৰহণ কৰাৰ ঘটনা সেয়া ব্যাখ্যা কৰাৰ পথ মুকলি হৈ ৰল। ঘটনাবোৰে বৃহত্তৰ প্ৰেক্ষাপট আচল অৰ্থ প্ৰকাশ কৰে। টেলিভিছনে ফলপ্ৰসূভাৱে এই প্ৰেক্ষাপটবোৰ উপস্থাপন কৰিব নোৱাৰে।

৯.৭ টেলিভিছন সাংবাদিকতাৰ প্ৰক্ৰিয়া

টেলিভিছন সাংবাদিকতাৰ জৰিয়তে পূৰ্ব-নিৰ্ধাৰিত বিষয়ত প্ৰস্তুত কৰা সংবাদ (Packaged) অথবা পোনপটীয়া সংবাদ (Live) সম্প্ৰচাৰ কৰা হয়। 'পেকেজড্' সংবাদবোৰৰ ক্ষেত্ৰত মাত্ৰ এটা ঘটনা বাছনি কৰা হয়, ঘটনাটোৰ অন্বেষণ কৰা হয়, চিত্ৰগ্ৰহণ কৰা হয়, সম্পাদনা কৰা হয় আৰু ঘটনাটো ঘটি যোৱাৰ পাছত ইয়াক বাতৰি হিচাপে পৰিৱেশন কৰা হয়। শেষৰ বৈশিষ্ট্যটো সবাতোকৈ গুৰুত্বপূৰ্ণ। পোনপটীয়া সংবাদত কোনো এটা ঘটনা ঘটি থাকোতে হুবহু চিত্ৰগ্ৰহণ

তথাসম্প্রচাৰ কৰা হয়। 'পেকেজড্' (Packaged) আৰু পোনপটীয়া দুয়োধৰণৰসংবাদৰ ক্ষেত্রতে কিছুমান সু-নির্দিষ্ট প্রক্রিয়া অনুসৰণ কৰিব লাগে। তলত প্রক্রিয়াবোৰ চকুকৈ আলোচনা কৰা হ'ল।

৯.৭.১ 'পেকেজড্' সংবাদ (Packaged News Stories)

'পকেজ' শব্দটোৰ দ্বাৰা এবিধ সম্পূর্ণ সামগ্রীৰ কথা বুজোৱা হয়। এটা 'সংবাদ পেকেজ' মানে হ'ল এটা সংবাদত পৰিণত হোৱা ঘটনা। ঘটনাটো সাৱধানে লিখিত ৰূপত সাজু কৰি লোৱা হয়, চিত্রগ্রহণ কৰা হয় আৰু সম্পাদনা কৰি টো চূড়ান্ত ৰূপ দিয়া হয়। চূড়ান্ত ৰূপটোত এবিধ সম্পূর্ণ সামগ্রীৰ আটাইবোৰ উপাদান নিহিত থাকে। এটা 'সংবাদ পেকেজ' তৈয়াৰ প্রক্রিয়াটোৰ কার্যপর্যায়বোৰ তলত উল্লেখ কৰা হ'ল—

১। সংবাদিকে কোনো উৎসৰ পৰা সংবাদ হ'ব পৰা ঘটনাৰ তথ্য লাভ কৰে। এনে উৎস মানুহ অথবা আন কোনো অনুষ্ঠান- প্রতিষ্ঠান হ'ব পাৰে। অভিজ্ঞ সাংবাদিকে সময় বাগৰাৰ লগে লগে নিজৰ বাবে বিশ্বস্ত সূত্র যোগান ধৰা নেটৱর্'ক এটা গঢ়ি লয়। তেওঁ কোনো ঘটনাৰ প্রথম অৱস্থাৰ গুৰুত্বপূর্ণ তথ্য সংগ্রহৰ ক্ষেত্রত এই উৎসবোৰক নির্ভৰ কৰে।

২। তাৰপাছত সাংবাদিকে ঘটনাটো সন্দর্ভত গৱেষণা কৰে। ইয়াৰ বাবে তেওঁ বিভিন্ন ব্যক্তিৰ সাক্ষাৎ গ্রহণ কৰে, কিতাপ- আলোচনী-বাতৰিকাকত আদি পঢ়ে, ইণ্টাৰনেট চায়, প্রাসংগিক নথি-পত্র পৰীক্ষা কৰে আৰু সংগ্রহালয়ত জমা থকা সামগ্রীবোৰ বিচাৰি চায়। এই প্রক্রিয়াটো অনুসৰণ কৰাৰ অন্তত ঘটনা এটাৰ সম্পূর্ণ পৃষ্ঠভূমি প্রকট হয়।

৩। ইয়াৰ পাছত সাংবাদিকে কেমেৰাপার্চনৰ সৈতে ঘটনাটোৰ সৈতে প্রাসংগিক বিভিন্ন স্থানলৈ যায়। কেমেৰাপার্চনে কাহিনীটোৰ সৈতে জড়িত বিভিন্ন স্থান/ দৃশ্যৰ চিত্রগ্রহম কৰে আৰু কাট-এৱে' (cutawat) সংগ্রহ কৰে। সাংবাদিকে ঘটনাস্থলীত উপস্থিত লোকৰ সৈতেকথা পাতি ঘটনাটোৰ সৈতে জড়িত তথ্য উদ্ধাৰৰ চেষ্টা কৰে। কেমেৰাপার্চনে এই সাক্ষাৎকাৰবোৰৰ চিত্রগ্রহণ কৰে, চাউণ্ড বাইট সংগ্রহ কৰে। সাংবাদিকে ঘটনাটোৰ প্রতিবেদন যাতে সমতাপূর্ণ আৰু নিৰপেক্ষ হয় তালৈ লক্ষ্য ৰাখিব লাগে আৰু ঘটনাটোৰ সকলো দিশ সামৰি লোৱাৰ চেষ্টা কৰে। তাৰপাছত কেমেৰাপার্চনে এক নাইবা একাধিক 'পিটিচি' (PTC-Piece to Camera)ৰ চিত্রগ্রহণ কৰে. পিটিচি' মানে হ'ল সাংবাদিকে পোনে পোনে কেমেৰালৈ চাই ঘটনাস্থলীতে উপস্থাপন কৰা তথ্যৰ ক্লিপ। বেছিভাগ টেলিভিছন সংবাদ একোটা 'ক্ল'জিং পিটিচি'ৰে সামৰা হয়। ঠঙ্গইয়াত সাংবাদিকে নিজৰ সংবাদটোৰ 'বাইলাইন' (byline) উপস্থাপন কৰে।

৪। ইয়াৰ পাছত সাংবাদিক আৰু কেমেৰাপার্চন গৰাকী নিজ কার্যালয়লৈ ঘূৰি আহে। সাংবাদিকে চিত্রগ্রহণ কৰা টে'পবোৰ পৰীক্ষা কৰি চায়, শ্বট চিনাক্ত কৰে, সাক্ষাৎকাৰ আৰু চাইণ্ড বাইটবোৰ পুনৰ ভালদৰে শুনি প্রয়োজনীয়বোৰ বাহিৰ কৰে। প্রতিবেদনত

যোগ কৰিব পৰা ক্লিপবোৰক ‘অ’কে টেকচ্ (OK Takes) বোলা হয়। বাদ পৰা ক্লিপবোৰক ‘এনজি টেকচ্’ (No Good takes) বোলা হয়। অ’কে শ্বট, সাক্ষাৎকাৰ আৰু চাউণ্ড বাইটবোৰৰ সূচী (log) তৈয়াৰ কৰা হয়। এই সূচী /তালিকাখনৰ প্ৰতিটো অংশৰ বিপৰীতে সাংবাদিকে একোটা চমু বৰ্ণনা, সময় সংকেত, ইন-পইণ্ট (যোগ দিয়াৰ সময়) আৰু আউট পইণ্ট (আঁতৰোৱাৰ সময়) আদি লিখি যায়। সময় সংকেতক চমুকৈ TC (Time Code) বোলা হয়। প্ৰতিবেদনখন প্ৰস্তুত কৰাৰ সময়ত সম্পাদনা যন্ত্ৰৰ পৰ্দাৰ তলৰ ফালে এই সংখ্যক লিখা সংকেতবোৰ দেখা পোৱা যায়। ইয়াত ঘণ্টা, মিনিট, চেকেণ্ড আৰু ফ্ৰেমৰ হিচাপত টে’পটো কিমানবাৰ পুনৰ চলাই চোৱা হৈছে সেয়া গম পোৱা যায়। এটা ‘ক্লিপ’ কোনটো সময়ত আৰম্ভ হ’ব সেয়া 'in point' আৰু কোনটো সময়ত শেষ হ’ব সেয়া 'Out point' উল্লেখ থাকে। এনেবোৰ তথ্যৰ সাংখ্যিক/ সময় ক্ৰমিক উল্লেখৰে 'log Sheet' খন প্ৰস্তুত কৰা হয়।

৫। সাংবাদিকে তাৰপাছত সাজু কৰা টে’পটো অথবা টে’পবোৰ ‘লগ শ্বীট’ খনৰ সৈতে ‘ইনজেষ্ট (Ingest) নামৰ বিভাগটোক জমা দিয়ে। সংবাদ প্ৰতিষ্ঠান এটাৰ অভ্যন্তৰত থকা ‘ইনজেষ্ট’ হ’ল কাৰিকৰী বিভাগ। ইয়াত এটা ‘চাৰ্ভাৰ’ থাকে। সংবাদ ছেনেলটোৱে ব্যৱহাৰ কৰা বিভিন্ন কম্পিউটাৰ টাৰ্মিনেল এই চাৰ্ভাৰে নিয়ন্ত্ৰণ কৰে আৰু পাৰস্পৰিক সংযোগ স্থাপনত সহায় কৰে। ইনজেষ্ট বিভাগত থকা কৰ্মচাৰী সকলে ‘লগ শ্বীট’ খন চাই চাই ‘অ’কে টেক’ বোৰ একাদিক্ৰমে যোগ কৰি যায়। তাৰপাছত ‘কেপ্চাৰিং’ প্ৰক্ৰিয়াৰযোগেদি সম্পাদিত ভিডিঅ’টো চাৰ্ভাৰৰ মেম’ৰীত কপি কৰা হয়। বিকল্পভাৱে, সাংবাদিকে ‘অ’কে টেক’ বোৰ ব্যক্তিগত কম্পিউটাৰৰ মেম’ৰীতো জনা কৰি থ’ব পাৰে। কিন্তু অধিকাংশ সংবাদ ছেনেলে প্ৰথম প্ৰক্ৰিয়াটো মানি চলে। কাৰণ, ই এক সময় ৰাহিকাৰক প্ৰক্ৰিয়া। কাৰণ, এটা উমৈহতীয়া চাৰ্ভাৰৰ মেম’ৰীত টে’পৰ কপি জমা হোৱাৰ পাছত সাংবাদিকে যিকোনো টাৰ্মিনেল খুলি ভিডিঅ’টো সম্পাদনা কৰিব পাৰে।

৬। ‘কেপ্চাৰিং’ প্ৰক্ৰিয়াটো চলি থকাৰ সময়ত সাংবাদিকে এখন ‘স্ক্ৰিপ্ট্’ (script) লিখি উলিয়ায়। এই ‘স্ক্ৰিপ্ট্’ খনতে মূল প্ৰতিবেদনত ব্যৱহাৰ কৰিবলগীয়া ‘ভইচ অ’ভাৰ’ (Vo), চাউণ্ড বাইট (Sound bites) আৰু পিটিচি (PTCs) বোৰ সামৰি লোৱা হয়। এখন সংবাদ স্ক্ৰিপ্টৰ সবাতোকৈ সাধাৰণ আৰ্হিটো হ’ল— VO- Bite-Vo- Bite- Vo-Bite-Vo-PTC। অৱশ্যে এয়া কোনো ধৰাবন্ধা নিয়ম নহয়. টেলিবিছনত সম্প্ৰচাৰিত সংবাদ এটাৰ গড় দৈর্ঘ্য হ’ল হৰ পৰা ৩ মিনিট। সেয়েহে স্ক্ৰিপ্টখন লিখাৰ সময়ত এই সময় মনত ৰাখিব লাগিব। সম্প্ৰচাৰ মাধ্যমৰ আনবোৰ অনুষ্ঠান, যেনে— তথ্য চিত্ৰ নিৰ্মাণৰ সময়ত স্ক্ৰিপ্টখন আগতে প্ৰস্তুত কৰি লোৱা হয়। কিন্তু সংবাদ স্ক্ৰিপ্টখন সাধাৰণতে শ্বুটিঙৰ পাছত লিখিত লাগে। যিকোনো ‘হাৰ্ড নিউজ’ অথবা তথ্যগধুৰ গুৰুতৰ ধৰণৰ সংবাদ প্ৰতিবেদন প্ৰস্তুত কৰাৰ সময়ত স্ক্ৰিপ্টৰ বিষয়বস্তুবোৰ ('5Ws) আৰু (1H') সূত্ৰ অনুসৰি (What, Where, When Who, Why আৰু How) সজাই ল’ব লাগে।

৭। ইয়াৰ পাছত সাংবাদিকে Voice Over (VO) অংশটো বাণীৱদ্ধ কৰে. সাধাৰণতে প্ৰতিটো কম্পিউটাৰ টাৰ্মিনেলতে একোটা 'লিপ মাইক্ৰ'ফোন' সংলগ্ন হৈ থাকে। সাংবাদিকে যিকোনো টাৰ্মিনেল ব্যৱহাৰ কৰি নিজৰ ভিডিঅ'ৰ প্ৰয়োজনীয় অংশৰ ধাৰাভাষ্য বাণীৱদ্ধ কৰিব পাৰে। যদি টাৰ্মিনেলবোৰত এই সুবিধা নাথাকে তেন্তে সাংবাদিকসকলে নিজ নিজ প্ৰতিষ্ঠানত থকা ৰেক'ৰ্ডিং কক্ষবোৰলৈ গৈ প্ৰয়োজনীয় VO বোৰ বাণীৱদ্ধ কৰিব লাগে।

৮। সাংবাদিকে তাৰপাছত কোনো ভিডিঅ' সম্পাদকৰ সহায়ত অথবা নিজেই সংবাদটোৰ সম্পাদনা কৰে। অভিজ্ঞ সাংবাদিকে নিজেই সংবাদ এটা সম্পাদনা কৰিব পাৰে বুলি ধৰা হয়। সম্পাদনাৰ সময়ত শ্বট, সাক্ষাৎকাৰ, চাউণ্ড বাইট আৰু ভইচ অ'ভাৰবোৰৰ সজত সমন্বয় সাধন কৰা আৰু শুদ্ধ ক্ৰমত সজোৱা হয়। এই সময়ত 'এষ্টনচ্' (Astons), বাগচ্ (Bugs) আৰু স্লাগচ্ (Slugs) ৰ দৰে বিভিন্ন গ্ৰাফিক উপাদান যোগ কৰা হয়।

৯। সাংবাদ এটাই এনেকৈয়ে চূড়ান্ত ৰূপ লয়। আৰু এই ৰূপটোকে সংবাদ পেকে'জ বোলা হয়। ইয়াৰ পাছত এগৰাকী জ্যেষ্ঠ সম্পাদকে ভিডিঅ'টো চায় আৰু সেয়া সংবাদ হিচাপে বুলেটিনতঅন্তৰ্ভুক্ত কৰিব পাৰিণে নোৱাৰি সেয়া সিদ্ধান্ত লয়। অনুমোদন পোৱা সংবাদবোৰক 'ৰালডাউন' (Rundown) বোলা তালিকা এখনত অন্তৰ্ভুক্ত কৰা হয়। 'ৰানডাউন' তালিকাত প্ৰতিখন সংবাদ বুলেটিনত কোনটো ক্ৰমত কোনটো সংবাদ সম্প্ৰচাৰ কৰা হ'ব তাৰ সঠিক নিৰ্দেশ থাকে।

৯.৮ পোনপটীয়া সংবাদসম্প্ৰচাৰ

পোনপটীয়া সংবাদ হ'ল কোনো ঘটনা ঘটি থকা অৱস্থাতেই ক্ষেত্ৰভিত্তিক ভাৱে সম্প্ৰচাৰ কৰা সংবাদ। ধৰা হ'ল, এটা ৰাজনৈতিক ৰে'লী বাহিৰ কৰা হৈছে। সাংবাদিক এগৰাকী এই ৰে'লী হোৱা স্থানত উপস্থিত আছে। তেওঁ ৰে'লীটোৰ গতিবিধি যেনেদৰে আগবাঢ়ি গৈ আছে ঠিক তেনেদৰেই সংবাদ প্ৰতিবেদন দাখিল কৰি যাব পাৰে। দৰ্শকে ৰে'লীটোৰ ছবি দেখিব আৰু ৰে'লী চলি থকা স্থানৰ ধ্বনি শুনিব পাৰিব। এনেদৰে সংবাদ হুবহু ৰূপত প্ৰত্যক্ষ কৰি দৰ্শকে নিজেই সেই স্থানত উপস্থিত থকা যেন অনুভয় কৰিব। পোনপটীয়া সংবাদ সম্প্ৰচাৰ প্ৰক্ৰিয়াৰ কোনো নিৰ্দিষ্ট ক্ৰম নাই। কিন্তু ই এক অতি সামঞ্জস্যপূৰ্ণ প্ৰক্ৰিয়া হোৱা উচিত। কাৰণ, এনে সংবাদত বহুতো কাৰ্য একে সময়তে সংঘটিত হৈ থকাটো দৰ্শকৰ চকুত পৰে। এনে স্থানত সংবাদিকৰ সৈতে এখন OB (Outdoor Broadcast) বাহন থাকে। এই বাহনখনেই সাংবাদিক আৰু সংবাদ প্ৰতিষ্ঠানৰ সৈতে প্ৰত্যক্ষ সংযোগ স্থাপন কৰে। ইয়াত বিভিন্ন প্ৰযুক্তি সম্বলিত নানা যন্ত্ৰ থাকে। কেমেলা আৰু মাইক্ৰ'ফোনৰ সৈতে এই যন্ত্ৰবোৰৰ প্ৰত্যক্ষ সংযোগ থাকে। সাংবাদিকে ঘটনা প্ৰত্যক্ষ কৰি কেমেৰাৰ সন্মুখত ইয়াৰ ব্যাখ্যা আগবঢ়ায়। OB বাহনৰ পৰা কেমেৰাত ধৰা পৰা ছবিবোৰ অনাতাঁৰ সংকেত প্ৰেৰণ পদ্ধতিৰে কোনো এটা সংযোগ চেটেলাইটলৈ প্ৰেৰণ কৰা

হয়। চেটেলাইটে এই সংকেতবোৰ সংবাদ প্ৰতিষ্ঠানত থকা গ্ৰাহক যন্ত্ৰলৈ পুনৰ প্ৰেৰণ কৰে। কেতিয়াবা, কোনো এটা কেন্দ্ৰীয় ঘটনাৰ সংবাদ গোটাবলৈ একাধিক সাংবাদিক একাধিক স্থানত একে সময়তে উপস্থিত থাকিব পাৰে। তেওঁলোকে একে সময়তে সংবাদ প্ৰতিষ্ঠান এটালৈ চিত্ৰ, ধ্বনি আৰু নিজ নিজ অৱস্থিতিৰ সংবাদ প্ৰেৰণ কৰি থাকিব পাৰে। এই আটাইবোৰ সংকেত সংবাদ প্ৰতিষ্ঠানৰ PCR (Production Control Room) ত আহি জমা হয়। ষ্টুডিঅ'ত থকা কেমেৰা এটাই একে সময়তে সংবাদ পৰিৱেশকৰ পৰিৱেশন ধৰি ৰাখে। এই পৰিৱেশন সংকেত কেমেৰাটোৰ পৰা পুনৰ PCR লৈ যায়। অৰ্থাৎ, PCR হ'ল কোনো এটা সংবাদ প্ৰতিষ্ঠানৰ কেন্দ্ৰীয় স্থান। এই কোঠালিত পৰাই কোনটো সময়ত কোনটো সংকেত সম্প্ৰচাৰ কৰা হ'ব তাৰ সিদ্ধান্ত লয়। এটা PCR ত বহুতো নিৰীক্ষক টেলিভিছন থাকে। প্ৰতিটো টেলিভিছনতে সংবাদ প্ৰতিষ্ঠানৰ যিকোনো কেমেৰা অথবা অ'বি ভেনৰ পৰা অহা সংকেত ধৰা পৰে। আন এটা সুকীয়া মণিটৰৰ পৰ্দাত এই মূহুৰ্তত সম্প্ৰচাৰিত হৈ থকা সংকেতবোৰ ধৰা পৰে। PCR ত থকা কাৰিকৰী কৰ্মচাৰীসকলে বিভিন্ন সংকেত সাল-সলনি কৰি থাকে, ইটোৰ পাছত সিটো সম্প্ৰচাৰ কৰি গৈ থাকে। এই প্ৰক্ৰিয়াটোক পোনপটীয়া সম্পাদনা, অনলাইন সম্পাদন অথবা চুইট্‌ছিং বোলে।

৯.৯ টেলিভিছন সংবাদ লিখাৰ নিয়ম

টেলিভিছনৰ বাবে লিখা কামটো ছপা, ৰেডিঅ' অথবা ইণ্টাৰনেটৰ বাবে লিখাতকৈপৃথক। ইয়াৰ কাৰণ হ'ল টেলিভিছনএটা দৃশ্য-শ্ৰব্য মাধ্যম। টেলিভিছনৰ বাবে লিখা লেখনীবোৰে মাধ্যমটোৰ সম্ভাৱনীয়তাৰ মাত্ৰা সৰ্বোচ্চ কৰিব আৰু সীমাৱদ্ধতা লুকুৱাব পাৰিব লাগিব। ছপা মাধ্যমৰ বাবে লেখনীয়েই হ'ল প্ৰধান উপাদান। ইয়াত আলোকচিত্ৰৰ সংযোজন ঘটোৱা হয়। টেলিভিছনৰ বাবে লিখা লেখনী এটা দৰ্শকে নপঢ়ে, শুনিবহে। ভাষাৰ প্ৰয়োগ হ'ল টেলিভিছনৰ বহুতো উপাদানৰ মাজৰ এটা উপাদান। টেলিভিছন অনুষ্ঠানত ভাষাৰ উপৰি গতিশীল চিত্ৰ, অন্য ধ্বনি আদি থাকে। এইবোৰক মাধ্যমটোৰ প্ৰধান উপাদান বুলি ধৰা হয়। ভাষাই এই উপাদানবোৰক সহায় কৰিব লাগে। অন্য উপাদানবোৰে ভাষাক সহায় নকৰে। সেয়েহে টেলিভিছনৰ বাবে লিখাৰ সময়ত দুটা প্ৰধান নীতি মনত ৰাখিব লাগে-

প্ৰথম নীতিটো হ'ল সৰলআৰু প্ৰাঞ্জল ভাষাৰ ব্যৱহাৰ। যতে শ্ৰোতা-দৰ্শকে প্ৰথমবাৰ শুনিয়েই ঘটনাটো বুজি পায়। দ্বিতীয় নীতিটো হ'ল দৃশ্যৰ পৰিপূৰক লেখনী প্ৰস্তুত কৰা। দৰ্শকে দৃশ্যটো যিহেতু নিজেই দেখিব, সেয়েহে তাৰ হুবহু বৰ্ণনা নিদিলেও হ'ব। ইয়াৰ পৰিৱৰ্তে দৃশ্যটোৰ সৈতে জড়িত আন কিছুমান আনুষংগিক তথ্য যোগান ধৰা উচিত।

৯.৯.১ টিভি মাধ্যমৰ বাবে লিখাৰ নীতি

টিভি মাধ্যমৰ বাবে লিখাৰ সময়ত তলৰ নীতিবোৰ মনত ৰখা উচিত—

১। ভাষা সৰল আৰু বোধগম্য হ'ব লাগিব। সৰল বুলি কওঁতে লেখনীবোৰ কিণ্ডাৰগার্টেন

পর্যায়ৰ শিশুৰ বাবে লিখা ভাষাৰ দৰে হ'ব লাগিব বুলি বুজোৱা হোৱা নাই। শ্রোতা / দর্শকে প্রথমবাৰ শুনিয়েই সংবাদ নাইবা তথ্যটো বুজি পোৱাকৈ লেখনীটো স্পষ্ট হ'ব লাগিব। সৰল ভাষা সুন্দৰ হ'ব নোৱাৰে বুলি এটা মিথ্যা ধাৰণা প্রচলিত। কিন্তু পৃথিৱীৰ বহুতো শ্রেষ্ঠ লেখক, স্ক্রিপ্ট লেখক আৰু সম্প্রচাৰক তেওঁলোকৰ ভাষাত থকা সৰলতাৰ বাবেই জনাজাত তথা জনপ্রিয়। সেয়েহে টিভি সাংবাদিকৰ লেখনী সৰল আৰু সুন্দৰ হোৱা উচিত। কঠিন শব্দ অথবা খণ্ডবাক্যৰ জৰিয়তে ভাষাৰ সৌন্দর্য ফুটি নুঠে। জটিল চিন্তা আৰু ধাৰণাবোৰ সৰল ভাষাত স্পষ্টৰূপৰ প্রকাশ কৰাতহে ভাষাৰ সৌন্দর্য প্রকাশিত হয়। ইয়াত চিন্তা উদ্রেককাৰী তুলনা আৰু উপমা আদি ব্যৱহাৰ কৰিব পাৰি।

২। টিভিৰ বাবে লিখা লেখনীবোৰে দৃশ্যবোৰক সমর্থন কৰিব লাগিব অথবা দৃশ্যবোৰৰ পৰিপূৰক তথ্য জনাব পাৰিব। ইয়াক ইংৰাজত (writing off the visuals) বুলিও কোৱা হয়। অর্থাৎ, কোনো এটা দৃশ্যৰ বর্ণনা নকৰাকৈয়ে দৃশ্যটোৰ সৈতে জড়িত আন কিছুমান কথা প্রকাশ কৰা দৰকাৰ। ধৰা হ'ল, এটা দৃশ্যত পখিলা উৰি আছে। ভইছ অ'ভাৰত পখিলা উৰি আছে বুলি নকৈ পখিলাককেনেদৰে পৰম্পৰাগতভাৱে ইহঁতৰ সৌন্দর্যৰ বাবে সকলোৱে প্রশংসা কৰি আহিছে সেয়া বর্ণনা কৰিব পাৰি।

৩। য'ত প্রয়োজন হয় আৰু খাপ খায় তাতহে সংখ্যা আৰু পৰিমাণ উল্লেখ কৰিব লাগে। অন্যথা মনে স্পষ্টকৈ বুজি পোৱা ধৰণে কিছুমান তথ্য উপস্থাপন কৰিব লাগে। যেনে- বস্তু এটা 'তিনি ফুট ওখ' বুলি কোৱাতকৈ 'কঁকালৰ সমান ওখ' বুলি ক'লে বহুতেই সহজে বুজি পায়।

৪। ডাঙৰ সংখ্যাবোৰ সংখ্যা আৰু শব্দ মিলাই লিখিব লাগে। যেনে- ৩৬,০০,০০০ বুলি লিখাতকৈ তিনি কোটি ৬০ লাখ বুলি লিখা ভাল। 'ভইচ অ'ভাৰ'ত কণ্ঠদান কৰাসকলৰ বাবে এনেদৰে লিখিলে পঢ়িবলৈকো উজু হয়।

৫। স্ক্রিপ্টবোৰ পৰিষ্কাৰকৈ 'টাইপ' কৰি লোৱা উচিত। হাতে লিখা স্ক্রিপ্টবোৰ সাৱধানে, বানান ভুল নকৰাকৈ, অত্যাধিক কটা-কটি নকৰাকৈ লিখি উলিয়াব লাগে। 'ভইচ অ'ভাৰ'ত কণ্ঠ দান কৰাসকলৰ বাবে তেতিয়া স্ক্রিপ্ট পঢ়াৰ কামটো সহজ হৈ পৰে।

৬। বগা কাগজৰ এপিঠিত স্ক্রিপ্ট লিখিব নাইবা 'টাইপ' কৰিব লাগে। বাণীবন্ধনৰ সময়ত তেতিয়া শব্দ কম হয়। বাৰে বাৰে পৃষ্ঠ লুটিওৱাৰ শব্দও বাণীৱদ্ধ হ'লে ই শ্রোতা / দর্শকক আমনি দিব।

৭। একেটা কাৰণতে, স্ক্রিপ্টবোৰত পৃষ্ঠা সংখ্যা লিখি ভালদৰে পিন মাৰি লোৱা উচিত।

৮। বাক্য এটাৰ আধা অংশ অন্য পৃষ্ঠা এটালৈ টানি নিব নালাগে। যিকোনো পৃষ্ঠাৰে শেষৰ বাক্যটো দাঢ়ি পর্যন্ত সেই পৃষ্ঠাটোতেই লিখি শেষ কৰিব লাগে। নহ'লে বাণীবন্ধনৰ সময়ত পৃষ্ঠা লুটিওৱা শব্দই ব্যাঘাতৰ সৃষ্টি কৰিব।

৯। কথাছবি, অনুষ্ঠান অথবা টেলিভিছন ধাৰাবাহিকৰ স্ক্রিপ্টবোৰ 'স্প্লিট পে'জ' (Split page) শৈলীত দুটা স্তম্ভত লিখা হয়। এটা স্তম্ভত 'ভইচ অ'ভাৰ' অথবা সংলাপ লিখা

থাকে। আনটো স্তম্ভত দৃশ্যৰ উল্লেখ থাকে। সংবাদৰ স্ক্রিপ্ট এখন এই শৈলীত লিখা নহয়। সংবাদ স্ক্রিপ্ট এখন সাধাৰণতে দৃশ্য আৰু তথ্য সংগ্রহৰ পাছত লিখা হয়। ইয়াৰ উপৰি সংবাদ স্ক্রিপ্টৰ ক্ষেত্রত সময়ৰ সীমাৱদ্ধতা থাকে। এনে স্ক্রিপ্টত কেৱল বাক্যহে লিখা হয়।

৯.১০ টেলিভিছন সংবাদ প্রস্তুত কৰাৰ নিয়ম

ছপা, সম্প্রচাৰ আৰু ৱেব-সকলো ধৰণৰ সাংবাদিকতাৰ দুটা স্তম্ভ হ'ল প্রতিবেদন প্রস্তুতকৰম আৰু সম্পাদকীয় বিবেচনা। সংবাদ প্রতিবেদনত একোটা সংবাদৰ বিভিন্ন দিশ উন্মোচন কৰা হয়। সম্পাদকীয় বিবেচনা প্রয়োগ কৰি কোনটো সংবাদ প্রকাশ সম্প্রচাৰৰ উপযোগী আৰু কোনটো অনুপযোগী সেয়া নির্ধাৰণ কৰে।

টেলিভিছন সংবাদ প্রস্তুত কৰাৰ নিয়ম

এই পাঠ্যবিষয়ৰ ১৩ নং অধ্যায়ত আমি সংবাদদাতাৰ ভূমিকা সম্পর্কে বহলাই পঢ়িছো। সেয়েহে ইয়াত বিষয়টো চমুকৈ স্পর্শ কৰা হ'ল। সংবাদদাতাৰ এটা ভূমিকা হ'ল কাহিনী কথন'। তেওঁ কোৱা কাহিনী ঘটনাটোৰ একোটা উপযুক্ত আৰম্ভণি, মধ্যভাগ আৰু সামৰণি থাকে। সাংবাদিক সদায় দায়িত্বশীল, জ্ঞানৰ শক্তি সম্পর্কে সচেতন আৰু টেলিভিছনৰ প্রভাৱ সম্পর্কে সজাগ হোৱা উচিত। তেওঁ নিজ কামত ন্যায়সংগত আৰু সমতাপূর্ণ হোৱা উচিত। সাংবাদিক নির্ভুল তথ্যৰ অধিকাৰী হ'ব লাগে। ইয়াৰ উপৰি তেওঁ কোনো এটা বিষয় গৱেষণা কৰাৰ আৰু তথ্য উপস্থাপনৰ সঠিক পদ্ধতি জনা উচিত। তেওঁ সংবাদ এটাৰ সৈতে জড়িত সংশ্লিষ্ট প্রধান লোকসকলৰ বিষয়ে খুঁতিনাটি মাৰি জানিব লাগিব।

৯.১১ সংবাদ উৎস

কোনো এটা সম্ভাব্য ঘটনাৰ প্রাৰম্ভিক তথ্য যোগান ধৰা ব্যক্তি অথবা অনুষ্ঠান প্রতিষ্ঠানকে সংবাদ উৎস বোলা হয়। এগৰাকী সাংবাদিকক কোনো অনুষ্ঠান-প্রতিষ্ঠানৰ ভিতৰ চ'ৱাৰ কোনোবাই তথ্যৰ যোগান নধৰিলে তেওঁ অনুষ্ঠান-প্রতিষ্ঠানটোৰ ভিতৰুৱা খবৰ জানিব নোৱাৰে। সেয়েহে গোপন তথ্য লাভ কৰিবলৈ সাংবাদিকসকলে চিনাকী লোকৰ নিজা গোট এটা সৃষ্টি কৰিব লাগিব। সময় বাগৰাৰ লগে লগে তেওঁলোক একো একোটা চিনাকী লোক আৰু উৎস নেটৱর্কৰ গৰাকী হ'ব লাগিব। এগৰাকী অভিজ্ঞ সাংবাদিকতকৈ এগৰাকী নতুন সাংবাদিকৰ উৎসৰ তালিকাখন চুটি। এগৰাকী সাংবাদিক প্রধানকৈ দুই প্রকাৰৰ উৎসক নির্ভৰ কৰে প্রধান উৎস আৰু গৌণ উৎস। প্রধান উৎসবোৰ কোনো ঘটনাৰ সৈতে প্রত্যক্ষভাৱে জড়িত অথবা চাক্ষুস সাক্ষী। গৌণ উৎসৰ পৰা ঘটনাৰ পৃষ্ঠভূমিৰ তথ্য গোটাব পাৰি। এনে উৎস ব্যক্তি অথবা অনুষ্ঠান- প্রতিষ্ঠান নহ'বও পাৰে। বিভিন্ন কিতাপ, উল্লেখ সামগ্রী, বাতৰি-কাকত, ইণ্টাৰনেট আদিক গৌণ উৎস বুলি ধৰা

হয়। গৌণ উৎসই গৱেষণাতো সহায় কৰে। এগৰাকী ভাল সাংবাদিকে কেতিয়াও নিজৰ উৎস সদৰি নকৰে। সাংবাদিকে সদায় উৎসৰ গোপনীয়তাক সন্মান জনোৱা উচিত। উৎসই সাংবাদিকৰ আগত 'Off the record' (লিখিত তথ্যৰ বাহিৰত) তথ্যৰ যোগান ধৰিব পাৰে। এনে তথ্য কোনো কাৰণতে লিখিব, সম্প্রচাৰ কৰিব, ছপা কৰিব নাইবা অন্যক জনাব নালাগে। সাংবাদিক এগৰাকীয়ে যাতে ঘটনা এটা ভালদৰে বুজি পায় তাক সহায় কৰিবলৈহে উৎসই বিশ্বাসেৰে এনে তথ্যৰ যোগান ধৰে। সাংবাদিকে সদায় উৎসৰ পৰা পোৱা তথ্যবোৰ পুনৰায় পৰীক্ষা কৰি চোৱা উচিত। কোনো তথ্যকে এবাৰতে সম্পূর্ণ সত্য বুলি মানি লোৱা অনুচিত। এগৰাকী সাংবাদিকে সেয়েহে একোটা ঘটনা একাধিক উৎসৰ পৰা জনাৰ চেষ্টা কৰা উচিত। প্রতিটো উৎসই ঘটনাটোৰ একোটা পৃথক দৃষ্টিভংগী আগবঢ়ায়।

৯.১২ পিচ টু কেমেৰা (Piece to Camera)

'পিচ টু কেমেৰা' হ'ল টেলিভিছন আৰু কথাছবি চিত্র গ্রহণৰ সময়ত ব্যৱহৃত অভিধা। সংবাদ যোগনিয়াৰ /পৰিৱেশক অথবা কথাছবিৰ চৰিত্র এটাই কেমেৰালৈ পোনে পোনে চাই কথা কোৱাকে 'পিচ টু কেমেৰা' বোলা হয়। সংবাদ পৰিৱেশক অথবা টেলিভিছন অনুষ্ঠানৰ আঁত ধৰোতাই দর্শকক পোনপটীয়াকৈ সংবাদ প্রতিবেদন জনোৱা অথবা কোনো কথা ব্যাখ্যা কৰাৰ সময়ত এই পদ্ধতি সাধাৰণতে ব্যৱহাৰ কৰা হয়। এটা সংবাদ অনুষ্ঠানত সাধাৰণতে সাক্ষাৎকাৰ আৰু 'পিচ টু কেমেৰা' মিহলি হৈ থাকে। চমুকৈ (PTC)বোলা এই পদ্ধতিটো পেকেজ্‌ড অথবা পোনপটীয়া উভয় ধৰণৰ সংবাদ প্রতিবেদনতে ব্যৱহাৰ কৰা হয়। সংবাদদাতাই ঘটনাস্থলীতে কেমেৰাৰ সন্মুখত প্রত্যক্ষভাৱে কথা কৈ ঘটনাৰ বিৱৰণ দাঙি ধৰে। এটা প্রভাৱ পেলাব পৰা PTC উপস্থাপন কৰাৰ সময়ত মনত ৰাখিবলগীয়া কথাবোৰ হ'ল—

- কেমেৰা ট্রাইপডত বহুৱাই ল'ব। কেমেৰালেন্স আৰু আপোনাৰ চকুৰ স্তৰ সমান হ'ব লাগিব।
- কেমেৰা 'হোৱাইট বেলেন্স' সুবিধাটো ব্যৱহাৰ কৰিব।
- যিমান দূৰলৈ পাৰে কেমেৰা 'ঝুম আউট' কৰি ল'ব। ই এটা সৰল 'লেন্স এংগল' আৰু নন- গ্রেজুৱেটেড লেন্স থকা কেমেৰাতো ই সুন্দৰকৈ কাম কৰে। আপোনাৰ কেমেৰাটো যদি অত্যাধুনিক প্র'ফেছনেল ধৰণৰ আৰু লেন্সবোৰ শেহতীয়া, তেন্তে আপুনি 'কেমেৰা এংগল' বিচাৰি সম্পৰীক্ষা চলাব পাৰে। 'ৱাইড লেন্স'-এ ফ'কাচ স্থিৰকৈ ধৰি ৰাখি দর্শকক কিছু পৰিমাণে পৃষ্ঠভূমি চোৱাৰ সুবিধা দিব পাৰে।
- পৃষ্ঠভূমি 'ফ্রেম' কৰক।
- পথালি অৱস্থান (Horizontal) ৰ পৰা কেমেৰাটো তলপিনে সামান্য 'টিল্ট' কৰি বহুৱাব। তেতিয়া কেমেৰাৰ সন্মুখত থিয় হোৱাগৰাকীৰ মূৰৰ ওপৰৰ মুকলি ঠাই কম হ'ব। ফলত পৰিৱেশকগৰাকীক চাপৰযেন নেদেখে।

- কেমেৰা 'অটো এক্সপোজাৰ' আৰু 'অটো চাউণ্ড লেভেল'অৱস্থাত ৰাখিব।
- তাৰপাছত চিত্রগ্রহণ আৰম্ভ কৰিব।
- কেমেৰাৰ পৰা দুখোজ পিচুৰাই যাব। সেই স্থানডোখৰত ভৰিৰে চিন দিয়ক। কেইচেকেণ্ডমান সেই স্থানত থিয় দিয়ক।
- চিত্রগ্রহণ কৰা টে'পটো পুনৰ চাওক। সকলো কথা ফ্রেমতউপযুক্ত ধৰণে ধৰা দিছেনে নাই পৰীক্ষা কৰক।
- 'মার্কাৰ'ত ফ'কাচ কৰক আৰু শ্বটটো প্রয়োজন সাপেক্ষে ৰিফ্রেম কৰক।
- চিত্রগ্রহণৰ সময়ত যাতে কেমেৰা তল-ওপৰ নহয় তালৈ লক্ষ্য ৰাখক।
- পুনৰ চিত্রগ্রহণ আৰম্ভ কৰক।
- এতিয়া 'পিচ টু কেমেৰা'ৰ দৃশ্যগ্রহণ কৰক।
- দৃশ্যগ্রহণৰ পাছত পুনৰ দৃশ্যৰাজি পৰীক্ষা কৰি চাওক।

৯.১৩ টেলিভিছন সংবাদ পৰিৱেশন

যিকোনো প্রদত্ত বিষয়বস্তুকে সর্বোত্তম সম্ভাব্য অভিব্যক্তিৰে দর্শকৰ আগত উপস্থাপন কৰাৰ কলাই হ'ল পৰিৱেশন। ইয়াত বহুতো কাৰক জড়িত হৈ থাকে। ভাষাৰ ব্যৱহাৰ, শ্বটবোৰৰ সংৰচনা, শ্বট বাছনিৰ দক্ষতা, প্রাসংগিক তথ্য বাছনিৰ দক্ষতা আৰু 'বিষয়বস্তু উপস্থাপন কৰাৰ আকর্ষণীয় আৰু মনোযোগ নিৰিষ্টকাৰী ব্যক্তিগত শৈলী হ'ল এনে কিছুমান কাৰক। একেবাৰে সহজ ভাষাত দর্শকৰ মনোযোগ আকর্ষণ কৰা আৰু ধৰি ৰখাই হ'ল পৰিৱেশন দক্ষতা।

৯.১৩.১ ফলপ্রসূ পৰিৱেশনৰ নীতি

১। বিষয়বস্তু সুচিন্তিত আৰু সুসংহত হ'লেহে উপস্থাপন ফলপ্রসূ হ'ব। সংবাদ এটা 'পেকেজিং' কৰাৰ উদ্দেশ্য হ'ল ঘটনা এটাৰ অন্তর্নিহিত তাৎপর্য বাহিৰ কৰা আৰু সেয়া অধিক স্পষ্ট ৰূপত উপস্থাপন কৰা। 'পেকেজিং' কৰা মানে কোনো ঘটনাত বাহ্যিক ৰহন সানি সেয়া আকর্ষণীয় কৰি তোলাটো নুবুজায়। এটা সবল ঘটনা ন্যূনতম পেকেজিঙৰ সহায়ত আকর্ষণৰ কেন্দ্রবিন্দু হ'ব পাৰে। ইয়াৰ বিপৰীতে এটা দুর্বল ঘটনাক অত্যুত্তম পেকেজিঙেও আকর্ষণীয় কৰি তুলিব নোৱাৰে। কথাছবিৰ ক্ষেত্রত যিটো প্রযোজ্য সেয়া টেলিভিছন সাংবাদিকতাত প্রযোজ্য নহয়। টেলিভিছন সাংবাদিকতাতএটা ভাল ঘটনাৰ দুর্বল শ্বটবোৰকো উত্তম শ্বট বুলি ধৰা হয়। কাৰণ ই দর্শকৰ মনত সাঁচ কাটিব পৰাকৈ ঘটনা এটা বর্ণনা কৰে। অৱশ্যে গুৰুতৰ ঘটনা এটাৰ সৈতে যদি উত্তম শ্বট কিছুমান সংযোজনকৰিব পৰা যায়, তেন্তে ইয়াক এক আদর্শ যুটী বুলি গণ্য কৰা হয়।

২। কোনটো কথাত জোৰ দিয়া হ'ব, কোনটো কথাক গৌণ কৰা হ'ব আৰু কোনটো কথা

বাদ দিয়া হ'ব সেই বিষয়ে কৰা উচিত সিদ্ধান্ত হ'ল ফলপ্রসূ পৰিৱেশন। সেয়েহে পৰিৱেশনকাৰী ঘটনা এটা বুজি পোৱাকৈ বুদ্ধিদীপ্ততাৰ অধিকাৰী হ'ব লাগিব। তেতিয়াহে তেওঁ ঘটনা এটা সংহত ৰূপত সজাই পৰিৱেশন কৰিব পাৰিব। এটা সাধাৰণ 'হার্ড' সংবাদৰ স্ক্রিপ্ট প্রস্তুত কৰাৰ সাধাৰণ দিক্‌নির্দেশনাটো হ'ল ৫ টা (W) আৰু ১ টা (H) অনুসৰণৰ নীতি অৱলম্বন কৰা। সংবাদ এটা (What, Where, When, Who, Why) আৰু (How) ক্রমত সজাই লোৱা হয়।

৩। এটা ভাল সংবাদ পৰিৱেশনৰ লক্ষণ হ'ল ই কোনো ঘটনাকে ৰোমাঞ্চকৰ ৰূপ নিদিয়ে। ই কোনো ঘটনা আৰু ধাৰাক সৌম্য ৰূপত উপস্থাপন কৰি ইয়াক অর্থবহ কৰি তোলে। অর্থাৎ, পৰিৱেশন কৰা ঘটনা এটা সৌম্য, সমতাপূর্ণ, বস্তুনিষ্ঠ আৰু নিৰপেক্ষ হোৱা উচিত। ইয়াত অযথা হুলস্থুলৰ কোনো প্রয়োজন নাই।

৪। পৰিবেশনৰ সময়ত 'ফ্লাশ্য' , 'পে'জ টার্ন' আদিৰ দৰে বিশেষ সম্পাদনা ইফেক্ট ব্যৱহাৰ কৰিব নালাগে। সাংবাদিক অথবা উপস্থাপকে ঘটনা সংবাদ এটাৰ তথ্যভিত্তিক সংবাদ প্রতিবেদন পৰিৱেশন কৰিব লাগে। এনে সংবাদত কোনো নান্দনিক প্রভাৱ সংযোজন কৰাৰ প্রয়োজন নাই।

৫। এটা সংবাদ সম্পাদনা কৰোঁতে 'ডিচচোল্ভ' (dissolves) ব্যৱহাৰ কৰাৰ পৰা বিৰত থকা উচিত। 'শ্বটচ বোৰ পৰিৱর্তন কৰাৰ সময়ত যিমান পাৰি 'কাট' ব্যৱহাৰ কৰা ভাল।

৬। সংবাদ প্রতিবেদনত আৱহ সংগীত কেতিয়াও ব্যৱহাৰ কৰিব নালাগে। সংবাদ সদায় বস্তুনিষ্ঠ আৰু আৱেগ বর্জিত হ'ব লাগে। সংবাদত কেৱল ঘটনাস্থলীৰ স্বাভাৱিক ধ্বনি থাকিব পাৰে। তেনে ধ্বনি সংগীত অথবা অন্য ধৰণৰ হ'ব পাৰে।

৭। যদি সম্পাদনাৰ সময়ত 'স্প্লিটস্কীন' কোশল ব্যৱহাৰ কৰা হয়, তেন্তে তাৰ এটা কার্যসম্পাদনকাৰী উদ্দেশ্য থাকিব লাগিব। সংবাদ এটা উপৰুৱাভাৱে আকর্ষণীয় কৰি তোলাৰ উদ্দেশ্যত এনে সম্পাদনা কৌশল ব্যৱহাৰ কৰা নহয়।

৯.১৪ টেলিভিছন সাংবাদিকতাত বহুল ব্যৱহৃত শব্দ

এংক'ৰ (Anchor)ঃ সম্প্রচাৰ সাংবাদিক। তেওঁ সংবাদ পঢ়ে আৰু অন্য সম্প্রচাৰকৰ সংবাদ প্রতিবেদনবোৰ দর্শকৰ আগত উপস্থাপন কৰে।

ক'ৰেছপ'ণ্ডেণ্ট (Correspondent)ঃ পৃথিৱীৰ কোনো স্থানৰ পৰা নিয়মীয়াকৈ সংবাদ প্রেৰণ কৰি থাকিবলৈ সেই স্থানত সংবাদপ্রতিষ্ঠানে নিযুক্তি দিয়া সাংবাদিক।

ডাইৰেক্টৰ /নিৰ্দেশক (Director)ঃ সম্প্রচাৰিত হৈ থকা অথবা হ'বলগীয়া সংবাদ সংগঠিত কৰা আৰু সম্প্রচাৰৰ প্রয়োজনীয় নির্দেশনা দিয়া ভাৰপ্রাপ্ত ব্যক্তি। তেওঁ এংক'ৰক প্রয়োজনীয় সংকেত (Cues/ কিউচ) দিয়ে আৰু নির্দিষ্ট সময়ত সংবাদৰ সম্প্রচাৰ নিশ্চিত কৰে।

এডিটৰ / সম্পাদক (Editor)ঃ সম্পাদকে সংবাদৰ অংশবোৰ ক্রম অনুসৰি প্রস্তুত কৰাৰ

দায়িত্বত থাকে। তেওঁ লিখিত স্ক্রিপ্ট অনুসৰি সম্পাদিত বাতৰিবোৰ পুনৰ পৰীক্ষা কৰি চায় আৰু চূড়ান্ত সংবাদবোৰ ডাইৰেক্টৰেপৰীক্ষা কৰি চাবলৈ প্ৰেৰণ কৰে।

ফ্লৰ ডাইৰেক্টৰ / মঞ্চ নিৰ্দেশক (Floor Director)ঃ তেওঁ এংক'ৰ সকলক সাৱধান কৰি থাকে, এক'ৰসকলে যাতে সঠিক সময়ত সঠিক কেমেৰাৰ পিনে দৃষ্টিনিক্ষেপ কৰে সেয়া নিশ্চিত কৰে।

আই এফ বি (IFB)ঃ সংবাদ পৰিৱেশনকাৰী এংক'ৰসকলে কাণতপিন্ধা এবিধ যন্ত্ৰ। ইয়াৰ সহায়ত তেওঁলোকে নিয়ন্ত্ৰণ কক্ষত বহি থকা নিৰ্দেশকৰ দিহা-নিৰ্দেশ শুনে।

প্ৰডিউচাৰ/ প্ৰযোজক (Producer)ঃ প্ৰযোজকে নিৰ্দেশকৰ আগত কোনো অনুষ্ঠানৰ চূড়ান্ত পৰিৱেশনৰ আৰ্হি উপস্থাপন কৰে। দুয়ো মিলি আলাপ-আলোচনাৰ মাধ্যমেৰে অনুষ্ঠানটোত প্ৰয়োজনীয় সাল-সলনি কৰি লয়।

ৰিপ'টাৰ (Reporter)ঃ বাতৰি সংগ্ৰহ কৰা, বাতৰি লিখা আৰু মাজে সময়ে বাতৰি উপস্থাপন কৰা ব্যক্তি।

টেলি-প্ৰম্পটাৰ (Tele-prompterঃ বাতৰি পৰিৱেশন কাৰ্য চলি থকাৰ সময়ত নিয়ন্ত্ৰণ কক্ষৰ পৰা সংবাদ কক্ষত থকা এংক'ৰসকলক বাতৰিৰ লিখিত ৰূপটো ক্ৰম অনুসৰি শাৰী শাৰীকৈ পঢ়াৰ সুযোগ দিয়া যন্ত্ৰ।

ৰাইটাৰ (Writer)ঃ বাতৰি সম্পাদকক বাতৰি এটাৰ বিভিন্ন অংশ সজাই লিখাত সহায় কৰা ব্যক্তি।

৯.১৫ টেলিভিছন সাংবাদিকতাৰ উল্লেখযোগ্য সাফল্য

- ১৯৫৯ চনৰ ১৫ ছেপ্টেম্বৰৰ পৰা ইউনেস্ক' (UNESCO) ৰ বিত্তীয় অনুদানেৰে পৰীক্ষামূলকভাৱেটেলিভিছন অনুষ্ঠানৰ সম্প্ৰচাৰ আৰম্ভ হৈছিল।
- ১৯৬৫ চনৰ পৰা সংবাদ বুলেটিন সহিতে নিতৌ এঘণ্টীয়াটিভি অনুষ্ঠানৰ সম্প্ৰচাৰ আৰম্ভ হৈছিল।
- ১৯৯০ চনৰ দশকৰ আগৰছোৱাত টেলিভিছন সংবাদ সম্প্ৰচাৰৰ ক্ষেত্ৰখনত দূৰদৰ্শনৰ একাধিপত্য আছিল।
- ৰাজহুৱা সম্প্ৰচাৰক হিচাপে দূৰদৰ্শনে নিৰপেক্ষভাৱে সংবাদ পৰিৱেশ কৰিছিল। শাসক চৰকাৰে টেলিভিছন সম্প্ৰচাৰ ক্ষেত্ৰখনত গভীৰ প্ৰভাৱ পেলাইছিল। কিন্তু দূৰদৰ্শনৰ সংবাদ বুলেটিনবোৰে দৰ্শকক আন্তঃৰাষ্ট্ৰীয় সংবাদৰ যোগান ধৰিব পৰা নাছিল।
- ১৯৮৮ চনৰ কোনোবা এটা শুকুৰবাৰৰ পৰা সাপ্তাহিক ভাৱে সম্প্ৰচাৰিত হোৱ The World This Week (নিউ দেল্হী টেলিভিছন /NDTV)ৰ আত্মপ্ৰকাশ ঘটাৰ লগে লগে ভাৰতৰ সংবাদ সম্প্ৰচাৰে দূৰদৰ্শন সংবাদকক্ষৰ নিয়ন্ত্ৰণৰপৰা মুক্তি লাভ কৰিছিল আৰু নতুন বস্তুনিষ্ঠতা তথা ভাৰসাযোগ্যতাৰ অধিকাৰী হৈছিল।

- ১৯৮৯ চনত NDTV য়ে সাধাৰণ নিৰ্বাচনৰ পোনপটীয়া সংবাদ সম্প্ৰচাৰ কৰি ভাৰতৰ প্ৰথমটো পোনপটীয়া টেলিভাইজড্ সংবাদ সম্প্ৰচাৰৰ কৃতিত্ব অৰ্জন কৰিছিল।অনুষ্ঠানটোৰ গুৰুত্বপূৰ্ণ আৰু ব্যৱসায়িক সাফল্যই ভাৰতীয় টেলিভিছন অনুষ্ঠানৰ এক নতুন স্বীকৃত মান নিৰ্দ্ধপণ কৰিছিল।
- ১৯৯১ চনত উপসাগৰীয় যুদ্ধৰ পোনপটীয়া সম্প্ৰচাৰৰযোগেদি আমেৰিকান সংবাদ প্ৰতিষ্ঠান (CNN)-এ ভাৰতত আন্তঃৰাষ্ট্ৰীয় চেটেলাইট টেলিভিছন সম্প্ৰচাৰ আৰম্ভ কৰিছিল।
- ১৯৯১ চনৰ আগষ্ট মাহৰ পৰা ভাৰতীয় উপ-মহাদেশলৈ চেটেলাইট ছেনেল সংকেত প্ৰেৰণ কৰা প্ৰথমটো ছেনেল হ'ল ষ্টাৰ প্লাচ।
- ভাৰতৰ প্ৰথমটো ব্যক্তিগত মালিকানাধীন হিন্দী ভাষাৰ চেটেলাইট' ছেনেল'জী টিভি'য়ে ১৯৯২ চনৰ অক্টোবৰ মাহৰ পৰা অনুষ্ঠান সম্প্ৰচাৰ আৰম্ভ কৰে।
- ইয়াৰ পাছতেই চোনি, ঈনাডু, এচিয়ানেট আৰু চানটিভিৰ দৰে চেটেলাইট ছেনেলে অনুষ্ঠান সম্প্ৰচাৰ কৰিবলৈ লয়।
- দূৰদৰ্শনে সংবাদ আৰু ৰাজহুৱা পৰিক্ৰমা বিষয়ক অনুষ্ঠান সম্প্ৰচাৰৰ ক্ষেত্ৰত তীব্ৰ প্ৰতিযোগিতাৰ সন্মুখীন হয়। ইয়াৰ বাবে দূৰদৰ্শনে 'স্পনচ'ৰড'শিতানৰ অধীনত সংবাদ বিষয়ক অনুষ্ঠান সম্প্ৰচাৰৰ 'স্লট' (নিৰ্দিষ্ট সময়) কিছুমান বিক্ৰীৰ পৰিকল্পনা কৰে।
- ১৯৯৫ চনৰ ফেব্ৰুৱাৰী মাহত (News Tonight) নামৰ ৰাষ্ট্ৰীয় সংবাদ বুলেটিন সম্প্ৰচাৰৰ জৰিয়তে NDTV-এ দেশৰ প্ৰথমটো ব্যক্তিগত সংবাদ প্ৰযোজক ছেনেলৰ খিতাপ অৰ্জন কৰে।
- একেটা বছৰতে TV Today Network-এ ডি ডি মেট্ৰ' ছেনেলৰ এটা চল্ল মিনিটৰ স্লট দখল কৰে। নেটৱৰ্কটোৱে 'আজতক' নামৰ এটা হিন্দী সাময়িক প্ৰসংগৰ অনুষ্ঠানৰলগতে 'বিজনেছ আজ তক' আৰু 'নিউজট্ৰেক' নামৰ অনুষ্ঠানকেইটাৰ সম্প্ৰচাৰ আৰম্ভ কৰে।
- ১৯৯২ চনত দূৰদৰ্শনৰ একাধিপত্য সম্পূৰ্ণৰূপে নাইকিয়া হৈছিল। ব্যক্তিগত সংবাদ প্ৰতিষ্ঠানবোৰে সংবাদ মেগাজিন, মনোৰঞ্জনধৰ্মী সংবাদ মেগাজিন আৰু সংবাদভিত্তিক অনুষ্ঠান প্ৰযোজনাৰ কাম আৰম্ভ কৰিছিল।
- ১৯৯৩ চনত টেলিভিছন এইট্টীন ইণ্ডিয়া লিমিটেড (TV18) এ ষ্টাৰ প্লাচ ছেনেলৰ জৰিয়তে ভাৰতৰ প্ৰথমটো মনোৰঞ্জনধৰ্মী সংবাদ মেগাজিন The India Show ৰ সম্প্ৰচাৰ আৰম্ভ কৰিছিল।
- ভাৰত কেন্দ্ৰিক সংবাদৰ সম্প্ৰচাৰ কৰিবলৈ জী টেলিভিছনে ১৯৯৫ চনৰ পৰা সংবাদ আৰু সাময়িক বিষয়ৰ অনুষ্ঠান সম্প্ৰচাৰকাৰী ছেনেল জী নিউজৰ সেৱা আৰম্ভ কৰিছিল।
- ১৯৯৮ চনত ষ্টাৰ টিভিয়ে ইয়াৰ ২৪ ঘণ্টীয়া সংবাদ ছেনেল ষ্টাৰ নিউজৰ সেৱা আৰম্ভ কৰিছিল। এই ছেনেলটোৰ বাবে প্ৰয়োজনীয় সংবাদ আৰু আনুষংগিক অনুষ্ঠান প্ৰযোজনাৰ বাবে ষ্টাৰ টিভিয়ে ৫ বছৰৰ বাবে ()ৰ সৈতে বুজাবুজিৰ চুক্তি কৰিছিল।

- ১৯৯৯ চনৰ নৱেম্বৰ মাহত(TV18)-এ CNBC Asia ছেনেলৰ সৈতে ৪৯ ঃ ৫১ শতাংশৰ অংশীদাৰত্বৰ চুক্তি কৰি CNBC India নামৰ যুটীয়া ছেনেলটোৰ সেৱা আৰম্ভ কৰিছিল।
- ২০০০ চনৰ ডিচেম্বৰ মাহত TV Today ব্যৱসায়িক প্ৰতিষ্ঠানে 'আজ তক' নামৰ হিন্দী সংবাদ ছেনেলটোৰ সেৱা আৰম্ভ কৰিছিল।
- ২০০৩ চনৰ মার্চ মাহত NDTV-আৰু Star ব্যৱসায়িক প্ৰতিষ্ঠানৰ মাজৰ পাঁচ বছৰীয়া চুক্তিৰ ম্যাদ উকলিছিল। ইয়াৰ পাছতেই NDTV-এ নিজাকৈ একে সময়তে দুটা ২৪ ঘণ্টীয়া সংবাদ ছেনেলৰ সেৱা মুকলি কৰিছিল। ইয়াৰে NDTV-24x7 ছেনেলটোৱে ইংৰাজী আৰু NDTV India ছেনেলটোৱে হিন্দী ভাষাৰ সংবাদ সম্প্ৰচাৰ কৰিছিল।
- ২০০৩ চনৰ ২৮ মার্চৰ পৰা সহাৰা ইণ্ডিয়া পৰিৱাৰে 'সহাৰা সময়' নামৰ ২৪ ঘণ্টীয়া ৰাষ্ট্ৰীয় হিন্দী সংবাদ ছেনেলটোৰ কাম আৰম্ভ কৰিছিল।
- ২০০৩ চনৰ ৩ নৱেম্বৰৰ পৰা DD Metro ছেনেলৰ নাম সলনি কৰি DD News কৰা হৈছিল আৰু ইয়াৰ জৰিয়তে কেৱল সংবাদ সম্প্ৰচাৰ কৰা হৈছিল।
- 'আপ কী আদালত' অনুষ্ঠানৰ জনপ্ৰিয় আঁত ধৰোতা ৰজত শর্মা, 'ইণ্ডিয়াজ মোষ্ট ৰাণ্টেড' অনুষ্ঠানৰ সফল প্ৰযোজক চোহেইব ইলিয়াচি আৰু 'তেহেলকা ডট কম'ৰ মুখ্য সম্পাদক তৰুণ তেজপালে মিলি ২০০৪ চনৰ ২০ মে'ৰ পৰা বিনামূলীয়াকৈ উপভোগ কৰিব পৰা সংবাদ তথা সাময়িক প্ৰসংগৰ হিন্দী অনুষ্ঠান সম্প্ৰচাৰ কৰা IndiaTV নামৰ ছেনেলটোৰ সেৱা আৰম্ভ কৰিছিল।
- ২০০৫ চনৰ ১৭ জানুৱাৰীৰ পৰা NDTV-এ ইয়াৰ ব্যৱসায় বিষয়ক ছেনেল NDTV Profit-ৰ কাম আৰম্ভ কৰিছিল।
- ২০০৫ চনৰ ২৭ মার্চৰ পৰা জাগৰণ টিভি প্ৰাইভেট লিমিটেডে Channel 7 ৰ সেৱা আৰম্ভ কৰিছিল।
- ২০০৬ চনৰ ৰাজদীপ চৰদেশাই আৰু সমীৰ মনচন্দাই GBN ৰ পৃষ্ঠপোষকতা কৰিছিল আৰু Channel 7 ৰ ষ্টেক ক্ৰয় কৰিছিল। তেওঁলোকে পাছত ছেনেলটোৰ সম্পাদকীয় নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিছিল আৰু ছেনেলটোক IBN7 বুলি নতুন নাম দিছিল



৯.১৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

- Shrivastava, K. M. (2005). Broadcast Journalism: In the 21st Century. New Dawn Press

- Hudson, Gary & Rowlands, S. (2007). The Broadcast Journalism Handbook. Pearson Longman



৯.১৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'টেলিভিছন' শব্দটোৰ অৰ্থ কি?

প্ৰশ্ন ২ ঃ PTC কি?

খ) চুটি প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ পোনপটীয়া সংবাদ সম্প্ৰচাৰৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ টেলিভিছন সংবাদ লিখাৰ নীতিসমূহ কি?

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ টেলিভিছন সাংবাদিকতাৰ উল্লেখযোগ্য সাফল্যসমূহ আলোচনা কৰক।

*** ***** ***